B

1. খাদ্য সংৰক্ষণ মানে কি? খাদ্য সংৰক্ষণৰ গুৰুত্ব বা প্ৰয়োজনীয়তা সমূহ লিখা? (Importance of food Preservation)

Ans:— খাদ্য সংৰক্ষণ হ'ল এনে এক বিজ্ঞান, যাৰ সহায়ত খাদ্যবস্তুৰ খাদ্যগুণ নষ্ট নোহোৱাকৈ আৰু গেলি পচি নোযোৱাকৈ ভৱিষ্যতৰ বাবে সাঁচি ৰাখিব পাৰি।

খাদ্য সংৰক্ষণৰ গুৰুত্ব বা প্ৰয়োজনীয়তা:—

কোনো এখন দেশৰ জনসংখ্যা বৃদ্ধিৰ লগে লগে খাদ্যৰ চাহিদা বাঢ়ে। চাহিদা অনুযায়ী যদি খাদ্যৰ যোগান নহয় তেন্তে খাদ্য সমস্যা, দুৰ্ভিক্ষৰ সমস্যা আদি বিভিন্ন সমস্যাই দেখা দিয়ে। যেয়েহে উৎপাদিত খাদ্য নষ্ট নোহোৱাকৈ সংৰক্ষণ কৰিলে খাদ্যৰ চাহিদা অনুযায়ী যোগান ধৰাৰ লগতে যোগান নিয়মীয়া কৰাৰ সুবিধা কৰা হয়। খাদ্য সংৰক্ষণ ঘৰুৱাভাৱে আৰু ব্যৱসায়িক ভিত্তিতো কৰিব পাৰি। ব্যৱসায়িক ভিত্তিত কৰিবৰ বাবে বিভিন্ন উদ্যোগ স্থাপন কৰি বহুত লোকক সংস্থাপন দিব পৰা যায়।

২. খাদ্য সংৰক্ষণৰ মূল নীতি বা সূত্ৰসমূহ লিখা?

Ans:— খাদ্য সংৰক্ষণৰ মূল নীতি বা সূত্ৰ সমূহ হ'ল →

(i) অনুজীৱ সমূহৰ আক্ৰমণ প্ৰতিৰোধ কৰা বা ধ্বংস কৰা। এই কাৰ্য আমি তিনি ধৰণেৰে কৰিব পাৰি।

(ii) তাপ, পোহৰ (বিকিৰণ ৰশ্মি) ৰশ্মি প্ৰয়োগ কৰি খাদ্যৰ অনুজীৱ সমূহ ধ্বংস কৰি খাদ্য সংৰক্ষণ কৰিব পাৰি।

(iii) খাদ্য বস্তুসমূহ নিজে নষ্ট হোৱাতো প্ৰতিৰোধ কৰি সংৰক্ষণ কৰা। ইয়াত প্ৰথমে খাদ্য বস্তুত থকা উৎসেচক সমূহ নিষ্ক্ৰিয় কৰি বা সিহঁতৰ ক্ৰিয়া প্ৰতিৰোধ কৰি খাদ্য সংৰক্ষণ কৰিব পাৰি। যেনে:— খাদ্য সমূহ উতলাই, দ্বিতীয়তে খাদ্যত হোৱা

বিভিন্ন বৰণৰ ৰাসায়নিক বিক্রিয়া প্রতিৰোধ কৰা।

৪। কীট-পতংগ, নিগনি, এন্দুৰ আদিৰ দ্বাৰা নষ্ট হোৱা প্ৰতিৰোধ কৰা।

3. খাদ্য সংৰক্ষণৰ বিভিন্ন পদ্ধতি সমূহ কি কি ?

Ans:— খাদ্য সংৰক্ষণৰ পদ্ধতি সমূহক দুটা ভাগত ভাগ কৰিব পাৰি। যেনে :—

(i) অণুজীৱ সমূহৰ খাদ্যত হোৱা বৃদ্ধি প্রতিৰোধ কৰি যেনে :— ৰ'দত শুকুৱাই, বৰফ দি, ৰাসায়নিক দ্রব্য প্ৰয়োগ, তেল মহলা আদিৰ দ্বাৰা।

(ii) খাদ্যত থকা অণুজীৱ ধ্বংস কৰি যেনে :— কেনিং, ফ্ৰিজিং আদি।

3/ 15. দূষিত খাদ্যৰ দ্বাৰা হ'ব পৰা ৰোগৰ সমূহ কি কি?

**Ans:-** দূষিত খাদ্যৰ দ্বাৰা বিভিন্ন ধৰণৰ ৰোগৰ হ'ব পাৰে যেনে:- ডায়েৰীয়া, জণ্ডিচ, বমি, খাদ্যৰ বিষক্ৰিয়া, ডিচেন্ট্ৰি, কলেৰা, এলাৰ্জি আদি।